**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Time :** 19-10 Hrs
Date : 04-05-2025

***Assamese Evening Bulletin***
***Headlines***

১। ভাৰতে বিশ্ব বেংক ভূমি সন্মিলন ২০২৫ত কৃষি সংস্কাৰ সম্পৰ্কীয় বিশ্বব্যাপি আলোচনাৰ নেতৃত্ব দিবলৈ সাজু হৈছে।
২। বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে ইটালিৰ মিলানত অনুষ্ঠিত এছিয়ান ডেভেলপমেণ্ট বেংকৰ বোৰ্ড অৱ গৱৰ্ণৰৰ ৫৮ সংখ্যক বাৰ্ষিক সভাত অংশগ্ৰহণ কৰিব।
৩। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ সচিব সঞ্জয় জাজুৱে ৱেভছ্ সন্মিলনত ভাগ লোৱা অংশগ্ৰহণকাৰীসকলক ভৱিষ্যতৰ একোগৰাকী তাৰকা বুলি অভিহিত কৰিছে।
৪। বিহাৰৰ ৰাজধানী পাটনাৰ পাতলিপুত্ৰ ক্ৰীড়া চৌহদত আজি বিয়লি আকৰ্ষণীয় অনুষ্ঠানেৰে খেল ইণ্ডিয়া যুৱ ক্ৰীড়া মহোৎসৱ ২০২৫ আৰম্ভ হৈছে। ***আৰু***
৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত ইডেন গাৰ্ডেনছত অনুষ্ঠিত প্ৰথমখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে-ৰাজস্থান ৰয়েলছক জয়ৰ বাবে ২০৭ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০

ভাৰতে বিশ্ব বেংক ভুমি সন্মিলন ২০২৫ত কৃষি সংস্কাৰ সম্পৰ্কীয় বিশ্বব্যাপী আলোচনাৰ নেতৃত্ব দিবলৈ সাজু হৈছে। উল্লেখযোগ্য যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৱাশ্বিংটন ডিচিত অৱস্থিত বিশ্ব বেংকৰ মুখ্য কাৰ্যালয়ত ৫ মে'ৰ পৰা ৮ মে'লৈ এই সন্মিলন অনুষ্ঠিত হ'ব। ভাৰতৰ পঞ্চায়তী ৰাজ বিভাগৰ সচিব বিবেক ভৰদ্বাজৰ নেতৃত্বত এটা উচ্চ পৰ্যায়ৰ দলে এই সন্মিলনত অংশগ্ৰহণ কৰিব। সন্মিলনত ভাৰতৰ দলটোৱে SVAMITVA (স্বামীত্ব) আঁচনি আৰু গ্ৰাম মানচিত্ৰ মঞ্চ বিশ্বৰ সন্মুখত দাঙি ধৰিব।

এই বৰ্ষৰ বিশ্ববেংক ভুমি সন্মিলনৰ মূল বিষয়বস্তু হৈছে “Securing Land Tenure and Access for Climate Action: Moving from Awareness to Action”। এই সন্মিলনে বিশ্বনেতা, নীতি নিৰ্ধাৰক, বিশেষজ্ঞ আৰু বিভিন্ন উন্নয়ন সহযোগী সকলক একেখন মঞ্চলৈ অনাৰ লগতে ভূমিৰ সংৰক্ষণ, বহনক্ষম উন্নয়নৰ বাবে ভূমিৰ প্ৰশাসনীয় দিশত নতুনত্বৰ উদ্ভাৱন আৰু জলবায়ু সংবেদনশীল শাসন আদি বিষয়ত নতুন কৌশলৰ অন্বেষন কৰিব।

ড্ৰোন আৰু ভূস্থানিক প্ৰযুক্তি ব্যৱহাৰ কৰি গ্ৰাম্য সম্পত্তিৰ আইনী মালিকিস্বত্ব প্ৰদান কৰা ভাৰতৰ স্বামীত্ব কাৰ্যসূচীৰ অধীনত এক লাখ ৬০ হাজাৰ গাৱৰ প্ৰায় ২৫ নিযুতৰো অধিক পৰিয়ালক সম্পত্তি কাৰ্ড প্ৰদান কৰা হৈছে। পঞ্চায়তী ৰাজ মন্ত্ৰালয়ে এটা বিবৃত্তিত ঘোষণা কৰিছিল যে ই ১০০ নিযুতৰো অধিক সম্পত্তিৰ মানচিত্ৰ প্ৰস্তুত কৰিছে, যাৰ ফলত আনুমানিক ১হাজাৰ ১৬২ ত্ৰিলিয়ন ডলাৰ মূল্যৰ ভূমি মুকলি হৈছে। বিশ্ব বেংকৰ ভূমি সন্মিলন ২০২৫ত ভাৰতৰ অংশগ্ৰহণে গ্ৰাম্য ভূমিৰ বিশ্বব্যাপী শাসনত গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে চিহ্নিত হৈছে।

০০০০

০০০০

এতিয়া শুনক ৱেভছ সন্মিলনৰ বাতৰি - **(মনতাজ)**

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ সচিব সঞ্জয় যাজুয়ে ৱেভচ সন্মিলনত ভাগ লোৱা প্ৰতিগৰাকী অংশগ্ৰহণকাৰীকে ভৱিষ্যতৰ একোগৰাকী তাৰকা বুলি অভিহিত কৰিছে। মুম্বাইত চলি থকা ৱেভচ সন্মিলনৰ আজি এটা সাংস্কৃতিক অনুষ্ঠানত ভাগ লৈ সচিব গৰাকীয়ে এই মন্তব্য কৰে। সন্মিলনৰ ক্ৰিয়েট ইন ইণ্ডিয়া শীৰ্ষক প্ৰতিযোগিতাত ভাগ লোৱা সংগীত শিল্পী সকলে তেওঁলোকৰ প্ৰদৰ্শনৰ যোগেদি ভাৰতবৰ্ষৰ গুৰুত্ব সুন্দৰভাৱে দাঙি ধৰিছে বুলি শ্ৰী যাজুৱে উল্লেখ কৰে। প্ৰতিযোগিতাৰ সংগীত বিভাগৰ বিভিন্ন প্ৰতিযোগিতাত বিজয়ীসকলক চৰকাৰৰ তৰফৰ পৰা বিদেশ ভ্ৰমণৰ সময়ত অন্য দেশত নিজৰ সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনৰ সুবিধা প্ৰদান কৰা হ'ব বুলিও তেওঁ মন্তব্য কৰে।

যি সময়ত আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত ভাৰতক প্ৰতিনিধিত্ব কৰিব পৰা পেছাদাৰী সংগীতৰ দলৰ প্ৰয়োজনীয়তাৰ কথা আহিছিল সেই সময়তে এনে বহু প্ৰতিভাক চিনাকি কৰাই দিয়াত এই ৱেভছ সন্মিলনৰ গুৰুত্ব আছে বুলিও শ্ৰী যাজুৱে উল্লেখ কৰে।

সচিবগৰাকীয়ে আকাশবাণীৰ সংবাদদাতাক জনাই যে এই ৱেভচ সন্মিলনে বিনিয়োগ, ব্যৱসায়, কলা-সংস্কৃতিৰ লগতে গনজাগৰণৰ এখন মঞ্চ হিচাপেও পৰিচয় লাভ কৰিছে। উল্লেখযোগ্য যে মুম্বাইত অনুষ্ঠিত ৪ দিনীয়া এই ৱেভছ সন্মিলনৰ আজি সামৰণি পৰিব। **(মনতাজ)**

০০০০

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ইটালীৰ মিলানত অনুষ্ঠিত এছিয়ান ডেভেলপমেণ্ট বেংক (এডিবি) ৰ বৰ্ড অৱ গভৰ্ণৰৰ ৫৮ সংখ্যক বাৰ্ষিক সভাত অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে আজিৰ পৰা ৭ মে'লৈ এই সভা অনুষ্ঠিত হৈছে। এই ভ্ৰমণকালত বিত্তমন্ত্ৰীগৰাকীয়ে ইটালী, জাপান আৰু ভূটানৰ বিত্ত মন্ত্ৰীসকলৰ লগতে অন্যান্য আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ মুৰব্বীসকলৰ সৈতে দ্বিপাক্ষিক আলোচনাতো ভাগ ল'ব। তদুপৰি তেওঁ মিলানত বিশেষজ্ঞ, ব্যৱসায়িক নেতা আৰু কাৰ্যবাহী সঞ্চালকসকলকো সাক্ষাৎ কৰিব।

শ্ৰীমতী সীতাৰমণে মিলানত প্ৰবাসী ভাৰতীয় সকলৰ সৈতে মত বিনিময় কৰাৰ লগতে বক্কনি বিশ্ববিদ্যালয়ত অৰ্থনৈতিক আৰু জলবায়ু স্থিতিস্থাপকতাৰ ভাৰসাম্য শীৰ্ষক অনুষ্ঠানতো উপস্থিত থাকিব।

০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই আজি পুৱা নতুন দিল্লীৰ মেজৰ ধ্যানচন্দ নেচনেল ষ্টেডিয়ামত অনুষ্ঠিত ফীট ইণ্ডিয়া চানদে'চ অন চাইকেল অভিযানৰ এটা বিশেষ সংস্কৰণত অংশগ্ৰহণ কৰে। তেওঁ কয়, যে শিক্ষক শিক্ষয়িত্ৰীসকল ছাত্ৰ-ছাত্ৰীসকলৰ বাবে নায়ক সদৃশ। এই শিক্ষক-শিক্ষয়িত্ৰীসকলে চাইক্লিঙক ফেশ্বনৰ শাৰীলৈ

তুলিব পাৰে আৰু সেইবাবে তেওঁলোক বিকশিত ভাৰতৰ যাত্ৰাত নায়ক হ'ব পাৰে। তেওঁ শিক্ষক-শিক্ষয়িত্ৰীসকলক চাইকেল ব্যৱহাৰ কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলকো ইয়াৰ ব্যৱহাৰৰ প্ৰতি উদ্বুদ্ধ কৰিবলৈ আহ্বান জনাইছে। ড০ মন্দাভিয়াই কয়, যে এই অভিযানে মেদবহুলতাৰ বিপক্ষে যুজিবলৈ আৰু ফীট ইণ্ডিয়া তথা বিকশিত ভাৰতৰ লক্ষ্যত সফলতা লাভত সহায় কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই অভিযানৰ শুভাৰম্ভ কৰিছিল।

ৰাষ্ট্ৰযোৰা এই অভিযান বিগত বৰ্ষৰ ডিচেম্বৰত আৰম্ভ হৈছিল। এতিয়ালৈ এই অভিযানে দেশৰ ৫ হাজাৰ বিভিন্ন স্থানত অনুষ্ঠিত হোৱাৰ লগতে ২ লাখতকৈ অধিক অংশগ্ৰহণকাৰীক সামৰি লৈছে।

০০০০০

বায়ু সেনাৰ মুৰবী এয়াৰ ছীফ মাৰ্শ্বেল এ পি সিঙে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আজি নতুন দিল্লীত সাক্ষাৎ কৰে। পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত ভাৰত আৰু পাকিস্তানৰ মাজত উত্তেজনা বৃদ্ধিৰ এই সময়ছোৱাত প্ৰধানমন্ত্ৰীক বায়ু সেনাৰ মুৰববীগৰাকীয়ে সাক্ষাৎ কৰা কাৰ্যই তাৎপৰ্য বহন কৰিছে।

ইপিনে, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কাইলৈ নতুন দিল্লীত জাপানৰ প্ৰতিৰক্ষা মন্ত্ৰী জেন নাকাটানিৰ সৈতে দ্বিপাক্ষিক বৈঠকত অংশ লব। প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ সূত্ৰই জনোৱা মতে, এই বৈঠকত দুয়োখন দেশে বৰ্তমান আঞ্চলিক তথা আন্তৰাষ্ট্ৰীয় সুৰক্ষা ব্যৱস্থাৰ পৰ্যালোচনা কৰাৰ লগতে দুয়োখন দেশৰ প্ৰতিৰক্ষা সহযোগিতা সম্বন্ধেও আলোচনা হ'ব। উল্লেখযোগ্য যে ভাৰত আৰু জাপানৰ মাজত দীৰ্ঘকালীন মিত্ৰতা অব্যাহত আছে।

০০০০০

ভাৰতীয় জ্ঞান-বিজ্ঞান সম্পৰ্কীয় সকলো তথ্য সংস্কৃত ভাষাতে লাভ কৰিব পাৰি। সেয়েহে জনসাধাৰণে সংস্কৃত ভাষা শিকাৰ প্ৰয়োজনীয়তা আছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি এটা অনুষ্ঠানত এইদৰে কয়। উল্লেখযোগ্য যে মন্ত্ৰী অমিত শ্বাহে আজি সংস্কৃত ভাৰতীৰ উদ্যোগত নতুন দিল্লীত অনুষ্ঠিত 1008 সংস্কৃত স্পীচ্ছ কেম্পত অংশগ্ৰহণ কৰে।

সংস্কৃত ভাষাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰি মন্ত্ৰী শ্ৰীশ্বাহে কয় যে সংস্কৃত ভাষা হৈছে ভালেসংখ্যক ভাৰতীয় ভাষাৰ মূল। তেওঁ কয় যে দেশত সংস্কৃত শিক্ষাৰ বিকাশৰ বাবে চৰকাৰে কাম কৰি আহিছে। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি সংস্কৃত ভাৰতীয়ে আয়োজন কৰা 1008 সংস্কৃত স্পীচ্ছ কেম্প বিগত মাহৰ ২৩ তাৰিখে আৰম্ভ হৈ চলিত মাহৰ কালি সামৰণি পৰিছে। এই কেম্পত ২৫ হাজাৰ লোকে অংশগ্ৰহণ কৰে আৰু সংস্কৃত ভাষা শিকে। দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তা, বিজেপিৰ দিল্লী গোটৰ মুৰববী বীৰেন্দ্ৰ চচদেৱ, দিল্লী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য অধ্যাপক যোগেশ সিং আৰু সংস্কৃত ভাৰতীয় অন্যান্য বিশিষ্ট লোকসকল এই অনুষ্ঠানত উপস্থিত আছে।

০০০০০

জম্মু কাশ্মীৰৰ ৰামবন জিলাত আজি সেনা কঢ়িয়াই নিয়া এখন গাড়ী ৰাস্তাৰ পৰা পিছলি ৭০০ ফুট দ খাৱৈত পৰাৰ ফলত কেইবাজনো সেনাৰ মৃত্যু হয়। আমাৰ সংবাদদাতাই জনোৱা মতে, সেনাৰ গাড়ীখন জম্মু শ্ৰীনগৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে যাত্ৰা কৰাৰ সময়ত চালকজনে নিয়ন্ত্ৰণ হেৰুৱাই ৰামবন জিলাৰ বেট্ৰি চচমাৰ সমীপত দুৰ্ঘটনা সংঘটিত হয়। ঘটনাৰ পাছতে সেনা, আৰক্ষী, ৰাজ্যিক দুৰ্যোগ সহাৰি বাহিনী, আৰু স্থানীয় স্বেচ্ছাসেৱকসকলে সাহায্য অভিযান চলাই বাহনখনত যাত্ৰা কৰা ৩ গৰাকী সেনাৰ মৃতদেহ উদ্ধাৰ কৰে। মৃত জোৱান কেইজন অমিত কুমাৰ, সুজিত কুমাৰ আৰু মনবাহাদুৰ বুলি জানিব পৰা গৈছে।

০০০০০

বিহাৰৰ ৰাজধানী পাটনাৰ পাতলিপুত্ৰ ক্ৰীড়া চৌহদত আজি বিয়লি আকৰ্ষণীয় অনুষ্ঠানেৰে খেল' ইণ্ডিয়া যুৱ ক্ৰীড়া মহোৎসৱ ২০২৫ আৰম্ভ হৈছে।

অহা ১৫ মে'লৈ হ'বলগীয়া এই প্ৰতিযোগিতাত ১৮ বছৰ অনুৰ্ধ ৮ হাজাৰ ৫০০ ৰো অধিক প্ৰতিভাবান খেলুৱৈয়ে ২৮ টা শিতানত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। বিহাৰৰ পাটনা, ৰাজগীৰ, গয়া, ভগলপুৰ আৰু বেগুচৰাইসহ ছখন চহৰত প্ৰতিযোগিতাৰ ২৮ টা শিতানৰ খেল অনুষ্ঠিত হ'ব। তিনিটা শিতানৰ খেল নতুন দিল্লীত খেলোৱা হ'ব। কেন্দ্ৰীয় চৰকাৰৰ খেল' ইণ্ডিয়া উদ্যমৰ অধীনত অনুষ্ঠিত এই প্ৰতিযোগিতাৰ এয়া হৈছে সপ্তম সংস্কৰণ।

প্ৰতিযোগিতাৰ শ্যুটিং, জিমনাষ্টিকছ্ আৰু ট্ৰেক চাইক্লিং শিতানৰ খেলসমূহ নতুন দিল্লীত অনুষ্ঠিত হ'ব। বাকী শিতানৰ খেলসমূহ বিহাৰত খেলোৱা হ'ব।

০০০০০

আই পি এল ক্রিকেট প্ৰতিযোগিতাত ইডেন গাৰ্ডেনছত অনুষ্ঠিত প্ৰথমখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে-ৰাজস্থান ৰয়েলছক জয়ৰ বাবে ২০৭ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। প্ৰত্যুত্তৰত কোলকাতা নাইট ৰাইডাৰ্ছে বাতৰি যুগুতোৱাৰ পৰলৈকে ১৮   অভাৰত ৭ টা উইকেট হেৰুৱাই ১৭৪ ৰাণ সংগ্ৰহ কৰি খেলি আছে।

হিমাচল প্ৰদেশৰ ধৰমশালাত কিছুসময়ৰ পাছত হ'বলগীয়া দ্বিতীয়খন খেলত পাঞ্জাব কিংছ-লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব। টছক জিকি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ